...ৰ উজনিতো মিঞাৰ আগ্ৰাসন
...টা বিৰোধীৰ দুই বিধায়কে
... তেওঁলোকে সদনত উজনিৰ
...ৱমাননা কৰি মিঞা মুছলমানৰ
...বে ওকালতি কৰিছে।

...বিধানসভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

অসমীয়া খবৰ
নিৰ্ভীক, নিৰপেক্ষ
গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত
☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২
ফোন নং ঃ ০৩৬১— ২৪৭৭২৯১, ২৪৭৭২৯২ ত্ৰয়োবিংশতিতম বছৰ সংখ্যা ২৮৫ বুধবাৰ ১১ ভাদ ১৯৪৬ শক ২৮ আগষ্ট ২০২৪ চন ASOMIYA KHABAR GUWAHATI WEDNESDAY 28 AUGUST 2024 দাম ঃ ৭.০০ টকা

C. C. C. LIB... Accession No....



# ড° শশীকান্ত শইকীয়াক ‘জীৱনজোৰা সাধনা বঁটা’ প্ৰদান

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৭ আগষ্ট ঃ ৩৫ বছৰ গৰকা অসমৰ ঐতিহ্যপূৰ্ণ সংগীত-নৃত্য, কলা কেন্দ্ৰ হিচাপে পৰিচিত গুৰুকুল সংগীত নৃত্য কলা কেন্দ্ৰৰ তৰফৰ পৰা ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক বিশিষ্ট ভাৰত নাট্যম নৃত্য পতিয়সী চাহেৰা চুলতানাৰ স্মৃতিত ৪ আগষ্টৰ নিশা ‘জীৱনজোৰা সাধনা বঁটা’ প্ৰদান কৰা হয়। কেন্দ্ৰটোৰ ৩৩ সংখ্যক বাৰ্ষিক অনুষ্ঠানত কেইবাশতাধিক শিল্পী, কলা-কুশলীৰ উপস্থিতিত অধ্যক্ষগৰাকীক এই বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে নিৰৱিচ্ছিন্নভাৱে অসমৰ সংগীত, নৃত্য, কলাৰ চৰ্চা কৰি থকা কেন্দ্ৰসমূহৰ ভিতৰত ডিব্ৰুগড়স্থিত গুৰুকুল সংগীত, নৃত্য, কলা কেন্দ্ৰৰ বৰঙণি অপৰিসীম। বিগত ৩৫ বছৰে কেন্দ্ৰটোৱে সংগীত, নৃত্য, কলাৰ চৰ্চাত বিশেষ ভূমিকা পালন কৰি আহিছে আৰু সৰ্বভাৰতীয় পৰ্যায়ৰ বহুকেইগৰাকী প্ৰতিভাৱান সংগীত, নৃত্য, কলাৰ বিষাৰদ সৃষ্টি কৰিছে। ডি এইছ এছ কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা বাৰ্ষিক অনুষ্ঠানত অধ্যক্ষগৰাকীক এই বঁটা প্ৰদান কৰি কেন্দ্ৰটোৰ প্ৰতিষ্ঠাপক গুৰু মুকুল আহমেদে কয়, এইক্ষেত্ৰত গুৰুকুল পৰিয়াল অত্যন্ত সুখী হৈছে যে অধ্যক্ষগৰাকীয়ে কেইবাদশক ধৰি অসমৰ উত্তৰণত বিভিন্ন দিশত কাম কৰি আহিছে। সাহিত্য-শিক্ষা, পৰিৱেশ-ক্ৰীড়াৰ উপৰি সমাজৰ বিভিন্ন দিশত আগবঢ়োৱা অনবদ্য বৰঙণিৰ স্বীকৃতি স্বৰূপে অধ্যক্ষগৰাকীক এই বঁটা প্ৰদান কৰা হয় বুলি তেওঁ কয়। মন কৰিব লগীয়া যে কঠোৰ পৰিশ্ৰম আৰু সাধনাৰ বাহক অধ্যক্ষগৰাকীয়ে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ নিৰৱিচ্ছিন্নভাৱে আগবঢ়োৱা বৰঙণিৰ চিন স্বৰূপে ইতিমধ্যে দেশৰ বিভিন্ন প্ৰান্তৰ দল-সংগঠন, অনুষ্ঠানে অধ্যক্ষগৰাকীৰ কৰ্মৰ স্বীকৃতি দি ‘কৰ্মসূৰ্য’, ‘দীনবন্ধু’, ‘ডিবৰু হিতৈষী’ উপাধি, ‘শ্ৰেষ্ঠ গ্ৰাম্য সাংবাদিকতা বঁটা’, ‘শ্ৰেষ্ঠ অধ্যক্ষৰ দক্ষতা বঁটা’, ‘একাডেমিক লীডাৰশ্বীপ বঁটা’, ‘অতি উৎসাহি ব্যক্তিৰ সন্মান’, ‘অসম গৌৰৱ বঁটা’, ‘পীচ এম্বেছেদৰ বঁটা’, ‘ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় পদক সন্মান’, ‘চৈয়দ আব্দুল মালিক স্মাৰক বঁটা’, ‘বীৰ চিলাৰায় বঁটা’, ‘নৰ্থ-ইষ্ট লীডাৰশ্বীপ বঁটা’, ‘সেউজী প্ৰাগ্‌জ্যোতিষ সন্মান’, ‘সেউজৰত্ন বঁটা’, ‘হাছান শ্বৰিফ আহমদ সমন্বয় বঁটা’, ‘পৰমানন্দ মানৱ সেৱা ৰত্ন বঁটা’, ‘বাবা চাহেব ড° ভীমৰাও ৰামজী আম্বেদকাৰ বঁটা’, ‘শ্ৰেষ্ঠ প্ৰশাসক বঁটা’ৰ উপৰি ১২০-ৰো অধিক আন দল-সংগঠন, অনুষ্ঠানে ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰিছে। ক’ভিডকালীনৰ সময়তে ‘স্নেহবন্ধন’ নামৰ আন্তঃৰাষ্ট্ৰীয় সংগঠন এটা প্ৰতিষ্ঠা কৰি বিশ্বতে বসবাস কৰি থকা অসমীয়া লোকসকলক একত্ৰিকৰণ কৰিবলৈ অধ্যক্ষগৰাকীয়ে সাধাৰণৰ সম্পাদকৰ দৰে গধূৰ দায়িত্ব গ্ৰহণ কৰি নেতৃত্ব দি আহিছে।